# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-12-2025
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

::::::::::::::::::

১। সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনাই বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হৈছে।

২। সংসদৰ শীতকালীন অধিৱেশন দেশৰ প্ৰগতিত ইন্ধন যোগোৱাৰ অন্যতম প্ৰচেষ্টা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। বিশ্ব এইডছ্ দিৱস উপলক্ষে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আক্ৰান্তসকলৰ সমস্যা উপলব্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

৪। ইণ্ডোনেছিয়াত প্ৰচণ্ড ঘূৰ্ণীবতাহ আৰু বৰষুণে সৃষ্টি কৰা বান আৰু ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৪২লৈ বৃদ্ধি হৈছে।

*আৰু*

৫। ছুইডেনৰ প'ল ভল্ট তাৰকা আৰ্মাণ্ড ডুপ্লাণ্টিছ্ আৰু আমেৰিকাৰ স্প্ৰীণ্টাৰ ছিডনী মেকলাফ্লিং-লেভ্ৰনে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ এথলীট হিচাপে নিৰ্বাচিত হয়।

ooooo

সংসদৰ শীতকালীন অধিবেশনৰ আজি প্ৰথম দিনটোতে বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হৈছে। দিনৰ ১১ বজাত লোকসভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ পাছতে অধ্যক্ষ ওম বিৰলাই সদ্যপ্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ, অৱসৰপ্ৰাপ্ত কৰ্ণেল সোণাৰাম চৌধাৰী, অধ্যাপক বিজয় কুমাৰ মালহোত্ৰা আৰু ৰবি নায়কলৈ শ্ৰদ্ধাঞ্জলি নিবেদনৰ কাৰ্যসূচী ৰূপায়ণ কৰে। অধ্যক্ষগৰাকীয়ে আটাইকেইগৰাকী প্ৰয়াত ব্যক্তিৰ সামাজিক জীৱনলৈ অৱদানৰ বিষয়ে স্মৰণ কৰাৰ লগতে তেওঁলোকৰ স্মৃতিত এক মিনিট মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে প্ৰশ্নোত্তৰ কাল আৰম্ভ হোৱাৰ লগে লগে বিৰোধী দলৰ সদস্যসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীকে ধৰি কেইবাটাও বিষয় লৈ শ্ল'গান দি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। অধ্যক্ষ ওম বিৰলাই সদস্যসকলৰ আচৰণত অসন্তুষ্টি ব্যক্ত কৰাৰ লগতে সদনৰ কাৰ্যক্ৰমণিকাৰ আৰম্ভণিতে এনেদৰে ব্যাঘাত জন্মোৱা উচিত নহয় বুলি মন্তব্য কৰে। অধ্যক্ষৰ আহ্বানৰ পাছতে বিৰোধী দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত লোকসভাৰ কাম-কাজ দিনৰ ১২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ১২ বজাৰ পাছত সদন পুনৰ মিলিত হোৱাত বিৰোধী দলৰ সদস্যসকলে অনুৰূপ ধৰণে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। বিৰোধীৰ শ্লোগান আৰু প্ৰতিবাদৰ মাজতে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কেন্দ্ৰীয় আবকালি সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে ধপাতজাতীয় সামগ্ৰীৰ ওপৰত অধিক আবকাৰি শুল্ক আৰোপ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়ক ২০২৫-ও সদনত উত্থাপন কৰে। সদনে জনবিশ্বাস সম্পৰ্কীয় বাছনি সমিতিৰ প্ৰতিবেদন চলিত অধিবেশনৰ দ্বিতীয় সপ্তাহৰ অন্তিম দিনা দাখিল কৰা হ'ব বুলি

প্ৰকাশ কৰে। হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই পুনৰ লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। উল্লেখযোগ্য যে, ১৯ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব।

ৰাজ্যসভাৰ কাম-কাজো দিনৰ ১১ বজাত আৰম্ভ হয়। আজি উচ্চ সদনত জম্মু-কাশ্মীৰ নেচনেল কনফাৰেন্সৰ গুৰবিন্দৰ সিং অবেৰয়, চৌধৰী মহম্মদ ৰমজান আৰু চাজ্জাদ আহমেদ কিছলুৰে সাংসদ হিচাপে শপত গ্ৰহণ কৰে। উচ্চ সদনৰ সভাপতি হিচাপে চি পি ৰাধাকৃষ্ণণক আদৰণি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে এটা সাধাৰণ পৰিয়ালৰ পৰা দেশৰ উপ-ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি শ্ৰী ৰাধাকৃষ্ণনে দেশৰ গণতন্ত্ৰৰ শক্তিকে পুনৰবাৰ প্ৰতিপন্ন কৰিছে। উপাধ্যক্ষ হৰিবংশেও শ্ৰী ৰাধাকৃষ্ণণক আদৰণি জনায়।

উল্লেখযোগ্য যে সংসদৰ শীতকালীন অধিবেশনত মুঠ ১৩ খন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ সংশোধনী বিধেয়ক, পাৰমাণৱিক শক্তি বিধেয়ক, কৰ্প'ৰেট আইন সংশোধনী বিধেয়ক, বীমা আইন সংশোধনী বিধেয়ক আৰু ভাৰতৰ উচ্চ শিক্ষা আয়োগ বিধেয়ক ২০২৫ আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত কেন্দ্ৰীয় শুল্ক সংশোধনী বিধেয়ক দাখিল কৰিব। তদুপৰি অধিবেশনত ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰথম পৰ্যায়ৰ অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনা আৰু ভোটদান কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ শীতকালীন অধিৰেশন কেৱল পৰম্পৰা নহয়, বৰং দেশক প্ৰগতিৰ দিশে লৈ যোৱাৰ ক্ষেত্ৰত ইন্ধন যোগোৱাৰ অন্যতম প্ৰচেষ্টা বুলি মন্তব্য কৰিছে। অধিৰেশনৰ পূৰ্বে সাংবাদিকৰ আগত শ্ৰী মোদীয়ে কয়, যে দেশৰ অৰ্থনৈতিক প্ৰগতি সফলতাৰে শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ জৰিয়তে ভাৰত ন-উদ্যম আৰু বিশ্বাসেৰে এখন উন্নত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ পথ প্ৰশস্ত হৈছে বুলিও তেওঁ কয়। শ্ৰী মোদীয়ে সকলো দলৰ সদস্যক সদনৰ ফলপ্ৰসূ আলোচনাত ভাগ ল'বলৈ আহ্বান জনায়। সংসদৰ শীতকালীন অধিৰেশনক বাদ-বিবাদৰ ক্ষেত্ৰ কৰি তোলাৰ পৰিৱৰ্তে ৰাষ্ট্ৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলা উচিত বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে সংসদৰ সদস্যসকলে নতুন প্ৰজন্মৰ যুৱ সদস্যসকলক সুযোগ দিয়া উচিত বুলি মন্তব্য কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই চলিত শীতকালীন অধিৰেশনত সংসদৰ সকলো সদস্যই সুস্থ গণতান্ত্ৰিক পৰম্পৰা বজাই ৰাখি আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে এই অধিৰেশন অৰ্থৱহ আৰু ফলপ্ৰসূ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত গ্লোবেল ছাউথৰ অন্তৰ্গত দেশসমূহৰ জৈৱ সুৰক্ষা শক্তিশালী কৰাৰ বাবে জৈৱিক অস্ত্ৰ অভিৱৰ্তনৰ ৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীজয়শংকৰে কয় যে এই সন্মিলনত কমেও ৮০খন দেশৰ বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ, পণ্ডিত আৰু প্ৰতিনিধিসকলে জৈৱিক অস্ত্ৰ সম্পৰ্কীয় অভিৱৰ্তনৰ আধুনিকীকৰণ সন্দৰ্ভত মত প্ৰকাশ কৰিছে। তেওঁ কয় যে আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত মাজে সময়ে দেখা দিয়া শংকা আৰু জীৱ বিজ্ঞানৰ উদ্ভাৱনসমূহৰ অপব্যৱহাৰৰ মাজত ভাৰসাম্য ৰখাৰ বাবে অভিৱৰ্তনৰ আয়োজন কৰা হৈছে। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি উল্লেখ

কৰে। মন্ত্রীগৰাকীয়ে সম্প্রতি জৈৱিক ক্ষেত্রত বিশ্বজুৰি সৃষ্টি হোৱা ভাবুকিৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্রত ৰাষ্ট্রীয় পৰিকাঠামো ৰূপায়ণৰ বাবে ভাৰতে আগবঢ়োৱা প্রস্তাৱ কথা উল্লেখ কৰে।

০০০০০

কেন্দ্রীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী জে পি নাড্ডাই বিশ্ব এইডছ দিৱস উপলক্ষে এই ৰোগ আৰু ৰোগত আক্রান্তসকলৰ সমস্যা উপলব্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ এই ৰোগ নিয়ন্ত্রণৰ বাবে গ্রহণ কৰিবলগীয়া ব্যৱস্থাসমূহৰ ক্ষেত্রত ব্যাপক সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে আজিৰ দিনটোত এইছ্ আই ভি নাইবা এইডছ্ সংক্রমিতসকলৰ ওচৰত সকলোৱে সহায় হৈ থিয় হোৱাৰ লগতে এই ৰোগৰ সংক্রমণক লৈ থকা ভ্রান্ত ধাৰণাসমূহ আঁতৰ কৰোৱাৰ চেষ্টা চলোৱা উচিত। সজাগতা সৃষ্টি, কুসংস্কাৰ দূৰ কৰা আৰু ৰোগীসকলৰ প্ৰতি বৈষম্যমূলক আচৰণ দূৰ কৰাটো সমাজৰ প্ৰধান দায়িত্ব। তেওঁ লগতে দেশৰ সকলোৰে বাবে সুস্থ আৰু সৰ্বাত্মক ভৱিষ্যৎ গঢ়ি তুলিবলৈ স্বাস্থ্য সেৱাৰ সমসুবিধা সকলোৱে লাভ কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়।

০০০০০

ইণ্ডোনেছিয়াত প্রচণ্ড ঘূৰ্ণীবতাহ আৰু বৰষুণে সৃষ্টি কৰা বান আৰু ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৪২লৈ বৃদ্ধি হৈছে। দেশখনৰ ৰাষ্ট্রীয় দুৰ্যোগ ব্যৱস্থাপনা সংস্থাই কালি প্ৰকাশ কৰা তথ্য অনুসৰি উত্তৰ সুমাত্রা, পশ্চিম সুমাত্রা, এছেহক ধৰি কেইবাটাও অঞ্চলত ক্ষয়-ক্ষতি অধিক হৈছে আৰু অন্য ৪০২জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী সংস্থাসমূহে ব্যাপক অভিযান অব্যাহত ৰাখিছে। আটাইতকৈ বেছি ক্ষতিগ্রস্ত সুমাত্রা দ্বীপত সহস্রাধিক লোক বহিঃবিশ্বৰ সৈতে সংযোগ বিচ্ছিন্ন হৈ আছে আৰু তেওঁলোকক উদ্ধাৰৰ বাবে প্রচেষ্টা চলাই থকা হৈছে। ৰাষ্ট্রপতি প্রৱও ছুবিয়াণ্টোৱে আজি বান ক্ষতিগ্রস্ত অঞ্চলসমূহলৈ গৈ পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে যোৱা সপ্তাহত ইণ্ডোনেছিয়াত ছেনিয়াৰ নামৰ প্রচণ্ড ঘূৰ্ণী বতাহে এই বিপৰ্যয়ৰ সৃষ্টি কৰিছিল। বৰষুণ আৰু ধুমুহাৰ ফলত থাইলেণ্ড, মালয়েছিয়া, ফিলিপাইনছ্ আৰু শ্রীলংকাৰ লক্ষাধিক লোক ক্ষতিৰ সন্মুখীন হোৱাৰ লগতে সমগ্ৰ এছিয়াৰ ৯ শতাধিক লোকৰ মৃত্যু হৈছে।

০০০০০

ৰাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কয় যে বিশ্ব মঞ্চত ভাৰত কেৱল অৰ্থনৈতিক স্বাধীনতাৰ বাবেই নহয়, অৰ্থনৈতিক ভূমিকা সম্প্রসাৰণৰ লক্ষ্যৰ দিশতো আগবাঢ়ি আছে। নতুন দিল্লীত ফুটৱেৰ ডিজাইন এণ্ড ডেভেলপমেণ্ট ইনষ্টিটিউট -এফ ডি ডি আইৰ সমাৱৰ্তন অনুষ্ঠানত ভাষণ দি ৰাষ্ট্রপতিগৰাকীয়ে এইদৰে কয়। শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে যে ২০২৪-২৫ বিত্তীয় বৰ্ষত দুহেজাৰ ৫০০ মিলিয়ন ডলাৰতকৈ অধিক মূল্যৰ ৰপ্তানিৰে অৰ্থনীতি বৃদ্ধিৰ ক্ষেত্রত জোতা উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনাই তেওঁ কয় যে পৰৱৰ্তী প্ৰজন্মৰ দক্ষ যুৱচামে বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্য পূৰণ কৰিব।

০০০০০

আজি নাগালেণ্ডৰ ৬৩ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৬৩ চনৰ ১ ডিচেম্বৰত দেশৰ যোড়শ ৰাজ্য হিচাপে নাগালেণ্ড প্ৰতিষ্ঠা হৈছিল। কোহিমাত আজি মুখ্যমন্ত্রী নেইফিউ ৰিঅ'ৰ উপস্থিতিত প্ৰতিষ্ঠা দিৱস উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

২০২৫ বৰ্ষৰ বিশ্ব এথলেটিকছ বঁটা প্ৰদান অনুষ্ঠানত ছুইডেনৰ প'ল ভল্ট তাৰকা আৰ্মাণ্ড ডুপ্লাণ্টিছ আৰু আমেৰিকাৰ স্প্ৰীণ্টাৰ ছিডনী মেকলাফ্লিং-লেভ্ৰনে বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত হয়। ২০২৫ চনত ডুপ্লাণ্টিছে পুৰুষৰ প'ল ভল্টৰ বিশ্ব অভিলেখ চাৰিবাৰ ভংগ কৰিছিল আৰু মুঠ ১৬খন প্ৰতিযোগিতাত অপৰাজিত হৈ আছিল। আধুনিক এথলেটিকছৰ ইতিহাসত ২৬ বছৰীয়া ডুপ্লাণ্টিছ একেৰাহে দুবছৰ ধৰি একক ইভেণ্টত অপৰাজিত হৈ থকা প্ৰথমজন পুৰুষ প'ল ভল্ট হিচাপে পৰিগণিত হৈছে।

আনহাতে টকিঅ'ত অনুষ্ঠিত মহিলাৰ ৪০০ মিটাৰ দৌৰ ৪৭ দশমিক ৭-৮ ছেকেণ্ডেৰে অতিক্ৰম কৰি আমেৰিকাৰ স্প্ৰীণ্টাৰ ছিডনী মেকলাফ্লিং-লেভ্ৰনে ৪২ বছৰৰ বিশ্ব অভিলেখ ভংগ কৰি ৪০০ মিটাৰ ফ্লেট আৰু ৪০০ মিটাৰ হাৰ্ডলছ দুয়োটা শাখাতে জয়লাভ কৰা ইতিহাসৰ প্ৰথমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হৈছে।

০০০০০

সমাপ্ত